শ্ৰীমথুৰা ডেকা—মাননীয় উপাধ্যক্ষ মহোদয়, মই পুলিচ শিতানত কৰ্ত্তন প্ৰস্তাব ডাঙি ধৰিছো। অৱশ্যে কৰ্ত্তন প্ৰস্তাৱ নহয়--কিছুমান আলোচনা যোগ কৰা সেই হিচাবে দিছো। প্ৰথমে মই কব লগা হ'ল আমাৰ ডিষ্ট্ৰিকত বহুত টকা ধাৰ্য্য কৰা হৈছিল। পুলিচ শিতানত আমাৰ বিশেষকৈ কমলপুৰ হাজো আৰু তামোলপুৰ সমষ্টিত আমি এটা বিপৰ্যায়ত পৰিছো। বিপৰ্যয় হোৱা এলেকা নলবাৰী পুলিচ বিভাগৰ হৈ তামোলপুৰত নহয়। এনেকুৱা ঘটনা হাজো অঞ্চলতো হৈছিল। গতিকে ইয়াৰ এটা খেলি-মেলি আছে। সেই কাৰণে এতিয়াই ইয়াৰ এলেকা নিৰ্দ্ধাৰণ কৰি দিব লাগে। গতিকে এতিয়াই ইয়াৰ এলেকা নিৰ্দ্ধাৰণ কৰি দিব লাগে। নলবাৰী জিলা পুলিচ এলেকা লৈ গলে আমাৰ বহুত অসুবিধা হব। গতিকে এতিয়া ইয়াৰ সীমা নিৰ্দ্ধাৰণ কৰিবলৈ মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছো। এনেভাৱে নজনাৰ ফলতে ৰঙিয়া যেতিয়া মহকুমা হ'ল আমাৰ বিপৰ্য্যয়ৰ সীমা নাইকীয়া হল। বহুতে কেচ মামলাকে বাদ দি পেলালে। কাৰণ কোন এলেকাত পৰে কোনেও একো নাজানে। আমাৰ এই তিনিটা সমষ্টি এটা সমন্বয় আছে। এই সমন্বয় আজি নহয় বৃটিছৰ দিনৰে পৰা। আজি হাজো অঞ্চল ৰঙিয়াত যাব লগা হলে তেওঁলোক ভূটানত যোৱা যেন হয়। নলবাৰী পুলিচ জিলাৰ সীমা নিৰ্দ্ধাৰণ ৰঙিয়াৰ সিপাৰৰ পৰা কৰক আৰু ভৱিষ্যতে নতুন জিলা কৰিব লগীয়া হলে

সিফালৰ পৰা কৰক অমাৰ ইফালে নালাগে। যি জিলাই নকৰক কিয় আমি গুৱাহাটীতে থাকিব বিচাৰো। নহলে, পুলিচৰ আক্ৰমন হলে কি অবস্থা হ'ব আপোনালোকে নাজানে। অৱশ্যে চৰকাৰে যতে থয় তাতে থাকিব লাগিব। ১৪৪ ধাৰা আৰু ছাত্ৰ সকলৰ উদ্ভন্দালি নাথাকিলে মই অকল কমলপুৰৰ পৰাই একলাখ জনসাধাৰণক আমি মুখ্যমন্ত্ৰীৰ ওচৰত হাজিৰ কৰি দিলোহেতেন। বৰ্তমান যি অৱস্থা হৈছে ভৱিষ্যতে আৰু হাজো সমষ্টি কংগ্ৰেছৰ পৰ নাযায়। হাজো সমষ্টি ৰঙিয়াত জাপি দিয়া কাৰণে হাজোৰ বিধায়কে, জালুকবাৰীৰ বিধায়কে আপত্তি জনাইছে। তেওঁলোকক ৰঙিযাৰ পৰা মুক্ত কৰি দিব লাগে। মইও একে আপত্তিকে জনাইছো। শিক্ষাৰ শিতানত সময় হয় নে নহয় নাজানো শিক্ষা মন্ত্ৰীক এতিয়াই অনুৰোধ কৰিলো এই তিনিওটা সমষ্টিক যাতে গুৱাহাটীৰ লগতে ৰাখে। কাৰণ ৰঙিয়াত বহিবলৈ ঠাই নাই। যিটো ডাকবঙলা আছে তাত বহিবলৈ ঠাই নাই। যেতিয়া ঘৰ-দুৱাৰ হব তেতিয়া বাৰু তালৈ যাম। এই তিনিওটা সমষ্টি গুৱাহাটীত ৰখাৰে ব্যৱস্থা কৰিব লাগে। মই বাৰু বিৰোধী পক্ষৰ সদস্য। জালুকবাৰী সমষ্টিৰ বিধায়ক স্বয়ং মন্ত্ৰীয়ে অনুবোধ জনাইছে। (সদনত হাঁহি)

Shri Benoy Kr. Basumatari—Sir, a Point of Order Sir, As per Rule 275 there cannot be such interruptions.

শ্ৰীমথুৰা ডেকা—উপাধ্যক্ষ মহোদয়, আমাৰ এটা গাওঁৰক্ষী বাহিনী আছে, বছৰে তেওঁলোকে টকা লয়। অৱশ্যে দুই এখন কম্বল লোৱাও দেখিছো। এই গাওঁৰক্ষী বাহিনী সবল কৰি তোলাটো অতি দৰ্কাৰ। সেই কাৰণে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে এই দলটো শক্তিশালী কৰি তোলে। মোৰ বোধেৰে যিসকল গাওঁৰক্ষী বাহিনীৰ সদস্য হব তেওঁলোকক হে চৰকাৰী চাকৰি দিয়া উচিত। সেই কাৰণে সকলো ডেকা ল'ৰা ছোৱালীয়ে গাওঁৰক্ষী বাহিনীৰ সভ্য হব লাগিব। তেতিয়াহে চৰকাৰী চাকৰী বিচাৰিব পাৰিব। অন্যান্য দেশত, শিক্ষা অনুষ্ঠানতেই সকলো ল'ৰা ছোৱালীকেই সামৰিক শিক্ষা দিয়াৰ ব্যৱস্থা আছে। আমাৰ ইয়াত সামৰিক শিক্ষা দিয়া হয় মাত্ৰ কেইজনমানক। বিষয়টো ৰখা

হৈছে টকা পইচা লুটিবৰ কাৰণে। গতিকে গাওঁৰক্ষী বাহিনী শক্তিশালী কৰিবৰ কাৰণে প্ৰত্যেক ডেকাকেই সভ্য ভৰ্ত্তি হব লাগে। সেই কাৰণে মই মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছো যে তেখেতে যিবিলাক আঁচনি লৈছে তাৰ ভিতৰত এই আঁচনিকো অন্তৰ্ভূক্ত কৰিব লাগে। এই ব্যৱস্থা ললে গাওঁ অঞ্চলৰ বাইজে চোৰৰ পৰা বহুত হাত সাৰিব পাৰিব। গাওঁৰক্ষী বাহিনীক অৱশ্যে টকা দিছে কিন্তু কাৰ কাৰণে দিছে নাজানো। পুলিচৰ কাৰণে আমি যোৱা বাৰ ঘৰ বান্ধি দিয়া, সা সুবিধা দিয়া, জীপ গাড়ী দিয়া আদি বিষয়ে আলোচনা কৰিছো। কিন্তু এই পুলিচৰ ভিতৰত অকৰা জাতৰ পুলিচো আছে। এই অকৰা জাত পুলিচটোৱে অনাহকত মানুহক হাৰাশাস্তি কৰে। নলবাৰীত পুলিচৰ অত্যাচাৰৰ নামত শুনিলো মানুহক এৰেষ্ট কৰিছে নাঙঠ কৰি তেওঁ পিন্ধি থকা গামোচা খুলি তেনেকৈ নাঙঠ কৰিয়েই থানালৈ আনিছে আৰু কোৰ্টলৈও নিছে। এই বিলাক বাৰু সভ্য দেশৰ কথানে? আমাৰ কমলপুৰত যিজন ডাৰোগা আছে তেওঁক হেনো কেইজনমানে প্ৰতিশ্ৰুতি দিছে যে তেওঁ অমুক অমুকক ধৰি আনি শাস্তি দিব পাৰিলে তেওঁক বি, ডি ও বনাব বা উচ্চ পদলৈ উন্নতি কৰাব। এই জন ডাৰোগাই কমলপুৰৰ দুজন শিক্ষকক তেওঁলোকৰ বিচনাৰ তলত দুটা বন্দুকৰ গুলি থৈ মিছা অভিযোগ সাজি যি অত্যাচাৰ চলালে তাক সহ্য কৰিব নোৱাৰি। সেই অৱস্থা মই নিজে দেখিছো তাক বৰ্ণাব নোৱাৰি। তাৰে এজন এতিয়াও চাকৰিৰ পৰা বৰ্খাস্ত হৈ আছে। আন্দোলনত সমৰ্থন থাকিলেও তেওঁলোক কিন্তু আন্দোলনকাৰী নাছিল। এওঁলোক সুন্দৰীশাল অঞ্চলৰ লোক। আন্দোলনত ৰাজনৈতিক প্ৰভাব নথকা সকলোৰে সমৰ্থন আছে কিন্তু সুন্দৰীশালত সেই চেলু লৈ পুলিচৰ আতিশয্য অবৰ্ণনীয়। কমলপুৰ অঞ্চলত এনেকুৱা গণ্ডগোল আগতে হোৱা নাছিল। কমলপুৰ সমষ্টিৰ গোৰ্কা অঞ্চলত পুলিচৰ যি অত্যাচাৰ চলিছে সেইটো ঠিক হোৱা নাই। নিৰ্বাচনৰ কিছুদিন পাছত অতিমাত্ৰা আতিশয্য চলাইছিল। মই তেতিয়া মুখ্যমন্ত্ৰীক অনুৰোধ কৰাত কিছু কমিল আৰু আনকি তাৰ পৰা বেটেলিয়ান পৰ্য্যন্ত উঠাই আনিলে। এতিয়া আকৌ আৰম্ভ হৈছে। এনেকুৱা

অকৰা জাতৰ কিছুমান দাৰোগা আছেই। কিছুদিন আগতে মই এখন মিটিঙলৈ গৈছিলো, মিটিংখনৰ পাৰ্মিচনো আছিল কিন্তু দাৰোগাজনে সেই পাৰ্মিচন লুকাই ৰাখি নাই পোৱা বুলি কলে। মোক প্ৰায় দেৰশ দুশ ডেকা ল'ৰাই আগুৰি ধৰিছিল। তিনিঘণ্টা মই তেওঁলোকৰ লগত যুঁজ কৰিলো। মুখ্যমন্ত্ৰীয়ে পিষ্টল ফিৰাই দিয়াৰ দৰে ময়ো যুজ কৰিলো। অ চি জনৰ পৰা সহায় নাপালো। কাৰণ তেওঁ হেনো মিটিঙৰ পাৰ্মিচন পোৱা নাই। তাৰ সম্পাদকে পাৰ্মিচনৰ কাগজখন দিয়া প্ৰমাণো দিয়া হ'ল। এই কথা ৰঙিয়াৰ এচ ডি পিও আৰু চি আইক জনোৱা হ'ল। তেওঁলোকে তেওঁৰ কৈফিয়ং তলব কৰিলে। কিন্তু কৈফিয়ং তলব কৰা দেখি তেওঁ সেই অঞ্চলৰ ৰাইজৰ ওপৰত চৰম অত্যাচাৰ চলালে। গাওঁ বিলাকত এই অত্যাচাৰ চলাই ৫০ হাজাৰমান টকা ঘটিলে। কাৰণ কিছুমান মাক বাপেকে পুলিচৰ অত্যাচাৰৰ ভয়ত ২ হাজাৰ ৩ হাজাৰ টকা খৰছ কৰিব লগীয়া হ'ল। আচলতে পুলিচ বিষয়াই শান্তি ৰক্ষা কৰিব লাগে। কিন্তু শান্তিৰ নামত অশান্তি বিয়পালে সেই অকৰা জাতৰ পুলিচক শাসন কৰাৰ ব্যৱস্থা কৰিব লাগে। সকলো পুলিচেই বেয়া নহয়, দুই এজনেহে চৰকাৰৰ বদনাম আনে। আমাৰ কমলপুৰৰ অ চিয়ে কমলপুৰৰ যি দুজন শিক্ষকৰ ওপৰত অত্যাচাৰ চলালে সেইটো বেয়া কথা।

তাৰ পিচত টাস্ক ফোৰ্চত, বেটেলিয়ানত মানুহ লোৱাৰ কথা শুনিছো। যাতে উপযুক্ত মানুহে নিযুক্তি পায় তাৰ ব্যৱস্থা কৰিব লাগে। প্ৰত্যেক চাৰ্কোলৰ পৰা মানুহ লোৱাৰ ব্যৱস্থা কৰিব লাগে তেতিয়াহে নিবনুৱা সমস্যাৰ কিছু সাম কাটিব। ভোজৰ সিধা যাতে আমিও পাওঁ তাৰ কাৰণে মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছো। ভোজৰ সিধাৰ দৰে সকলো ঠাইতে যাতে সমান লক্ষ্য কৰা হয় তাৰ কাৰণে অনুৰোধ জনায় মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* Shri Altaf Hussain Mazumdar—Sir, the Police are the part and parcel of the Society. We cannot imagine and wish them as something different from us. Every-

* Speech not corrected.

one of us desire an ideal, exemplary and efficient and helpful police force. For that we need to give them proper training facilities and other amenities. Otherwise we cannot have efficient police force. That is why I oppose the cut motion. I have no grudge to give them more facilities and amenities because everyone want more exemplary and efficient police force in our country. If we recall some months back during the last disturbances there was a feeling in the minds of the people that the Assam Police was in complete d sarray. As a matter of fact, the people lost all confidence and there was a feeling that 'with this police force probably we cannot live in the State. But fortunately within some months things have changed and the credibility of our police has returned. For this, credit goes to our Government and to the Chief Minister. I must say that he has been able to bring about discipline in the police force and now the police force is looking after the law and order situation. There are lots of complaints by the public and side by side there is exemplary behaviour of the police. People point out their lapses. Breoadly my view is that if the police are properly trained and if the feeling of seculiarism is introduced in them and they are trained in this light then certainly many senctions of our people will have no grievance against the police. I must confess and express another thing.

There was a time when there was a feeling in the minds of the minority and other backward people that the police were not for them and they did not like to go near the police recruiting centres.

Lots of credit goes to the Chief Minister because during his period the minorities could get into the Police force. This time a right decision has been taken by the Chief Minister and the government that proper representation for all communities would be given in the matter of recruitment in the police department, i. e. religious minorities, backward sections of people, tea garden labourers and others would also be given representation in the police recruitment. We are thankful to our Chief Minister and we congratulate him. But at the same time I must in all sincerity point out that out that this feeling has not yet percolated at the lower level. This earnest and right decision and policy of recruitment of police composing of different sections of people is extremely laudable. But we find that at the district and subdivisional level, the approach is negative. I am sure, the Chief Minister inspite of his heavy preoccupation, as a Minister-in-charge of Police department, will also look into this aspect of the problem and see that this sincere and right policy and decision is not flouted by any officer, and if it is flouted then certainly proper action would be taken.

I remember the other day while the Chief Minister was talking, he warned that no kindness would be shown to the delinquent officers. Where necessary, Government should take the strongest possible measures. The officers who have done a good job, we must give full appreciation, otherwise, there will be no job satisfaction of the good officers. If every body gets only accusation and no appreciation, there will be no incentive to work. It is to be remembered that the Policemen have to work under hard condition, even at the cost of their life. I have found from this Explanatory Note that 12 Battalion is going to be formed, and there is also a provision to increase the pay and allowances of the task force. I know in different Police Stations, task force personnel were selected. In the mean time, some successful candidates have been taken in the district executive post or elsewhere. The task force is very helpful from the point of view of their physical strength and the power of endurance. There are plenty of qualified boys, Matriculate boys. Now, I would like to emphasise that they may be employed in the task force. If there is no room in the task force, let them be employed in the task force or in the district executive posts. They may also be absorbed in the battalion. So, let there be a policy decision that those who are successful in the tests of task force, they should be some how absorbed in different organisations. Similarly, 12 batta-

lion is going to be formed. I wish the Chief Minister will give a policy declaration about the process of recruitment which will be fully obeyed by the persons who are in the helm of the affairs in the matter of recruitment. I have seen in the Home Guard, there are Matriculate and even Graduate boys. While recruitment is made for the Constable, I think their cases should also be given due consideration. This will help us to encourage the Home Guards. Those who work sincerely and found suitable and up to the mark, the may be considered for absorption in the battalion or in the Police force. That will make the Home Guard stronger. Now, as I have said earlier, our Police force are working under a lot of constraint. It is true our Police force have some deficiencies. But we should have all out efforts to rectify the deficiencies. Now, Sir, I have observed, population has been increasing rapidly in certain towns in Assam. The number of vehicles in the street has also increased considerably, In comparison, the traffic Police has not been posted in the street in sufficient number. The other day while there was a traffic jam at Silchar, I had a talk with the traffic Police in duty, who said, there are very few traffic Police detailed for duty. As a result, they find it difficult to control the large number of vehicles on the street. By the time, the population of Silchar has increased considerably. So I feel, the Govt. would increase the number of traffic

Police. Similarly, it is necessary to have more out post. In the end, I would request the Chief Minister to adopt a policy decision in the recruitment of battalion, task force and SIB. With this observations, I extend my support to the demand.

মাননীয় উপাধ্যক্ষ—এতিয়া মাননীয় সদস্য শ্ৰীপূৰ্ণ বড়ো।

* শ্ৰীপূৰ্ণ বড়ো—মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ সম্পৰ্কত দুষাৰমান কথা কব খুজিছো। উপাধ্যক্ষ মহোদয়, পুলিচ বিভাগৰ কাৰ্য্যকলাপ সম্পৰ্কে আমি কিছু খবৰ ৰাখো আৰু সেই কাৰণে পুলিচ বিভাগৰ বাবে বিভিন্ন কাম কাজৰ কাৰণে যি ধন ধৰা হৈছে সেই পৰিপ্ৰেক্ষিতত কিছু কব বিচাৰিছো। আজি আমি এটা কথা লক্ষ্য কৰিছো যে আৰক্ষী বিভাগে কোনো এটা ঘটনা ঘটি যোৱাৰ পিচতহে অপৰাধীক ধৰিবলৈ যায় আৰু ব্যৰ্থ হয়। ব্যৰ্থ হোৱাৰ কাৰণেই দিনকে দিনে জনসাধাৰণৰ আস্থা তেওঁলোকৰ ওপৰত কমি আহিছে। এইটো কথা স্বীকাৰ কৰিব লাগিব যে ঘটনা ঘটি যোৱাৰ পিচত অপৰাধীক কাবায়ত্ত্ব কৰাটো আৰক্ষী সকলৰ এটা প্ৰধান কাম। কিন্তু দেখা যায় যে ঘটনা ঘটি যোৱাৰ পিচত নিৰ্দোষী লোকক জধে মধে প্ৰায় গোটেই গাওঁখনকে জোৰ জুলুম কৰা হয়। আমি কব লাগিব বৰ্ত্তমান পুলিচ বিভাগৰ ব্যৰ্থতাও তাতেই। কমলপুৰ সমষ্টিৰ অন্তৰ্গত কেন্দুকোণাৰ ডাক্তৰ ভগবান মিশ্ৰৰ এৰেষ্টৰ বিষয়ে যদি চোৱা হয় দেখা যাব ব্যক্তিগত কৌশলৰ বাবেই এইটো হব পাৰিছে। তেখেত উগ্ৰপন্থী সকলৰ বিৰোধীতা কৰা লোক। প্ৰাইভেট প্ৰেকটিচনাৰ হিচাবেও তেখেতৰ এটা সেই অঞ্চলত খ্যাতি আছে। পচিশ তাৰিখৰ পূৰণা কামৰূপ বন্ধৰ আহ্বানৰ আগনিশা পুথিমাৰী ৰেলওৱে দলঙৰ কাষত বোমা বিষ্ফোৰণ ঘটনাৰ লগত অভিযুক্ত কৰি ব্যৱস্থা লোৱা হ'ল। এইটো ঠিক যে উদ্দেশ্য প্ৰণোদিত ভাবে নিৰ্দ্দোষী ব্যক্তিক জড়িত কৰিবলৈ চেষ্টা কৰা হৈছে। গতিকে মই কব বিচাৰিছো যে

* Speech not corrected

পুলিচ বিভাগ দোষী ব্যক্তি বিচাৰি উলিওৱাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে। কাজেই বহুত ক্ষেত্ৰত ঘটনা সংঘটিত হৈ যোৱাৰ পিচতো ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই।

গতিকে আমি কব লাগিব যে পুলিচ বিভাগে প্ৰকৃত দোষী ব্যক্তিক বিচাৰি উলিওৱাত ব্যৰ্থ হৈছে। কাজেই ঘটনা সংঘটিত হৈ যোৱাৰ পিচত বহুতো দোষী ব্যক্তিৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ কথা আমি জানো। উদাহৰণ স্বৰূপে টিহু অঞ্চলৰ উদ্ধব পাঠক নামৰ ল'ৰা এজনক ১৯৮৪ চনৰ জানুৱাৰী মাহতে আন্দোলনকাৰীয়ে চোকা অস্ত্ৰেৰে আক্ৰমণ কৰি হত্যা কৰে। এই ঘটনাৰ বিষয়ে টিহু আৰক্ষী থানাত জনোৱা হৈছিল আৰু মৃতকেও হেনো মৃত্যুৰ আগে আগে এজন মানুহৰ নামো কৈ গৈছিল. কিন্তু এই ঘটনাৰ আজিলৈকে কোনো অনুসন্ধান হোৱা নাই। জানুৱাৰী মাহৰ পৰা আজিলৈকে কোনো অনুসন্ধান হোৱা নাই বা কাকো ইয়াৰ বাবে এৰেষ্ট কৰা হোৱা নাই। জানুৱাৰী মাহৰ পৰা আজিলৈকে দোষী ব্যক্তিৰ নাম দিয়া স্বত্বেও কিয় সেই দোষীক এৰেষ্ট কৰা হোৱা নাই সেইটোহে চিন্তা কৰিব লগা বিষয়। ঠিক সেইদৰে নমাটি গাওঁৰ ৰঞ্জিৎ পাঠক নামৰ কীৰ্ত্তি ছাত্ৰ এজনক ১৯৮৩ চনৰ ২৭ এপ্ৰিলৰ দিনা কোনোবাই হত্যা কৰি টিহু নদীত উটাই দিছিল অৱশ্যে পুলিছে মৃত দেহটো উদ্ধাৰ কৰিলে। এই ঘটনাৰ বিষয়ে মৃতকৰ পিতৃয়ে বৰমা থানাত এই ঘটনাৰ কাৰণে কোন জগৰীয়া তেওঁলোকৰ নামো দিছিল। কিন্তু এই ঘটনাৰ সন্দৰ্ভত আজিলৈকে কোনো অনুসন্ধান বা এৰেষ্ট হোৱা নাই। গতিকে আজি যদি আৰক্ষী বিভাগটো এইদৰেই চলি থাকিব লগা হয়, তেনেহলে আমি এই বিভাগটোক কেনেকৈ বিশ্বাস কৰিম ? আজি আমাৰ আৰক্ষী বিভাগৰ অনুসন্ধান শাখাৰ নামত খৰচ কৰিবলৈ ৯ লাখ ৫০ হাজাৰ টকা বিচৰা হৈছে। এনে ধৰণৰ টকা আগেয়েও বিচৰা হৈছিল আৰু সেইমতে ইয়াৰ অনুদান গ্ৰহণ কৰি এই কামত খৰচ কৰা হৈছে কিন্তু আজি আমি এটা কথা লক্ষ্য কৰিব লগা হৈছে যে আমি কেৱল এনে ধৰণৰ টকা বাজেটত পাছ কৰি তাক খৰচ কৰা দেখুৱালেই যে আমাৰ কাম শেষ হৈ যাব সেইটো নহয়,

আমি চাব লাগিব যে এই ধনৰ প্ৰকৃত ব্যৱহাৰ হৈ নে নাই বা আৰক্ষী বিভাগে এই কামত কিমানদূৰ দক্ষতা দেখুৱাব পাৰিছে। আমাৰ আৰক্ষী বিভাগটোক আমি কিমানদূৰ দক্ষ কৰি তুলিব পাৰো তাৰ কাৰণেও আমি ব্যৱস্থা হাতত লোৱা উচিত হব।

উপাধ্যক্ষ মহোদয় আজি আমি যদি আমাৰ সমাজৰ দুৰ্নীতি ৰোধ কৰিবলৈ যাওঁ, তেনেহলে আমি আমাৰ আৰক্ষী বিভাগটো দোষমুক্ত কৰি লব লাগিব আৰু তেওঁলোকে প্ৰকৃত দোষীক ধৰা পেলাব পাৰিব লাগিব। ইয়াৰ বাবে প্ৰয়োজন হব তেওঁলোকৰ দক্ষতা আৰু তাৰ বাবে প্ৰয়োজন হব তেওঁলোকক উপযুক্ত ভাবে প্ৰশিক্ষণ দি লোৱা। আজি আমাৰ বাজেটত তেওঁলোকক প্ৰশিক্ষণ দিয়াৰ কাৰণেও ধন ধৰা হৈছে। সেইদৰে দুৰ্নীতি নিবাৰণ শাখাৰ কাৰণেও ৬৫ হাজাৰ টকা ধৰা হৈছে। অৱশ্যে এই ধন মুঠেই নগণ্য। কিন্তু আমি লক্ষ্য কৰিব লাগিব এই শাখাটোৱে দুৰ্নীতি নিবাৰণৰ নামত কিমানদূৰ সক্ষম হৈছে।

দুৰ্নীতিৰ অভিযোগ পাই থকা হয়। এই দুৰ্নীতি বিভিন্ন অঞ্চলত, বিভিন্ন অনুষ্ঠানত ওলায়েই থাকে। এই দুৰ্নীতি ৰোধ কৰাৰ কাৰণে আমাৰ আৰক্ষী বিভাগৰ লোক সকলে তেওঁলোকৰ কৰ্ত্তব্য পালনত কিমানদূৰ সফলতা অৰ্জন কৰিছে সেইটো আমি চাব লাগিব। এই দুৰ্নীতি ৰোধ কৰিবলৈ যাওঁতে যদিহে প্ৰকৃত ধৰণে অনুসন্ধান কৰা নহয় বা প্ৰকৃত দোষীক ধৰা পেলোৱা নহয়, তেনেহলে এই শাখাটো আমাৰ কি প্ৰয়োজন আছে? আজি আমাৰ পুলিচ বিভাগৰ শিতানত যি ধন বিচৰা হৈছে তাৰ কিছু অংশ তেওঁলোকৰ দৰমহা আৰু কিছু অংশ মৰগীয়া বানচত খৰচ কৰা হব। এই লোক সকলে ৰ'দে, বৰষুণে কাম কৰিব লগীয়া হয়, সেই কাৰণে আজি তেওঁলোকৰ ওপৰোক্ত খৰচ-বোৰৰ কাৰণে যি ধন বিচৰা হৈছে তাত আমাৰ আপত্তি কৰিব লগা নাই। কিন্তু কথা হ'ল তেওঁলোকৰ ওপৰত আইন-শৃঙ্খলা ৰক্ষাৰ যি গুৰু দায়িত্ব অৰ্পণ কৰা হয় সেই দায়িত্ব তেওঁলোকে পালন কৰিব পাৰিছে নে নাই? ইয়াৰ আগতেও আমাৰ দুই এজন বক্তাই কৈ গৈছে

যে কেৱল পুলিচৰ সংখ্যা বৃদ্ধি কৰিলেই আমাৰ আইন শৃঙ্খলা ৰক্ষ উন্নত নহয়, বৰং ইয়াৰ দ্বাৰা বেয়া পৰিস্থিতিৰ সৃষ্টি হোৱাতহে সহায় হব। এই কথাত ময়ো একমত যে পুলিচৰ সংখ্য বৃদ্ধি কৰিলেই আইন শৃঙ্খলাৰ অৱস্থা ভাল হব বুলি মই নাভাবো। ইয়াৰ লগতে মই আৰু এটা কথা উত্থাপন কৰিব বিচাৰিছো যে শাসক দলে আৰক্ষী বিভাগৰ লোক সকলক নিজৰ কামত ব্যৱহাৰ কৰাতো ৰোধ কৰিব লাগে। উদাহৰণ স্বৰূপে মই তামোলপুৰ অঞ্চলৰ এটা কথা উল্লেখ কৰিব বিচাৰিছো। তাত থকা ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজন তাৰ পৰা বদলি হৈ নাযায়। সেই অঞ্চলৰ ৰাইজে তেওঁক তাৰ পৰা বদলি কৰাৰ কাৰণে নানা আপত্তি দি থকা স্বত্বেও ওপৰ মহলাত শাসক দলৰ লোকৰ লগত ঘনিষ্ঠতা থকাৰ কথাৰ বাবে তেওঁক তাৰ পৰা বদলি কৰা নহয়। এই বিষয়া জনে সেই অঞ্চলত মাৰ্ক্সবাদী লোকক হাৰাশাস্তি কৰি আছে। গতিকে শাসক দলে যদি এই বিভাগটোৰ লোক সকলক তেওঁলোকৰ নিজা বৰীয়াকৈ ব্যৱহাৰ কৰে তেনেহলে তেওঁলোকৰ পৰা কিবা আইন শৃঙ্খলা ৰক্ষা কৰিব পৰা হব বুলি মই নাভাবো। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিলো।

* শ্ৰীচন্দ্ৰধৰ কলিতা—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই পুলিচৰ শিতানত যিটো দাবী মঞ্জুৰী আনিছ সেইটোৰ মই বিৰোধীতা কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, মৰগীয়া বানচ, আইন-শৃংখলা আদি ৰক্ষা কৰা, নতুনকৈ বেটেলিয়ন খোলোতে তাৰ লগত জড়িত টকা-পইচাৰ জোৰা মৰা, নতুন পুলিচৰ চাব ডিভিজন, জিলা আদি খোলোতে যি খৰছ পৰিব তাৰ মেইনটেইন কৰা আদি কামত এই টকাটো খৰছ কৰিব লাগিব বুলি এই টকা বিচৰা হৈছে। পুলিচ বুলিলে আমি আইন-শৃংখলা ৰক্ষা কৰি শান্তিৰ পৰিবেশ সৃষ্টি কৰি জনসাধাৰণৰ হকে কাম কৰাটোকেই পুলিচৰ দায়িত্ব বুলিয়েই বুজো। কিন্তু বাস্তৱ অভিজ্ঞ

* Speech not corrected.

তাৰ পৰা আমি যি দেখা পাইছো ই তাৰ সম্পূৰ্ণ পৰিপন্থী। এজন মাননীয় সদস্যাই কোৱাৰ দৰে এই পুলিচ বিভাগৰ লোক সকলো আমাৰ সমাজৰ বাহিৰৰ মানুহ নহয়। চাকৰিয়াল হিচাবে তেখেত সকলে যিখিনি স-সুবিধা পাব লাগে সেইখিনি পোৱাটো আমিও বিচাৰো। পুলিচৰ দায়িত্ব হৈছে আমাৰ দেশখনৰ ৰাইজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাত সহায় কৰা। কিন্তু আজি যি দেখা গৈছে, গোটেই ৰাজ্যখনতে ১৪৪ ধাৰা জাৰি কৰি একগোট হৈ জনসাধাৰণৰ মাত মাতিব পৰা গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰা হৈছে। এই বিলাকৰ কাৰণেই যেন পুলিচৰ সংখ্যা বৃদ্ধি কৰা হৈছে তেনেকুৱা যেন হে লাগে। আজি পুলিচৰ সংখ্যা যেনেকৈ বৃদ্ধি কৰা হৈছে সেই ধৰণে গড়কাপ্তানী বিভাগৰ লেবাৰৰ সংখ্যা নবঢ়ায় কিয়? শিক্ষাৰ শিতানত এখন সভ্য জগতৰ নিদৰ্শন হিচাবে যিমান ব্যয় বৃদ্ধি কৰাৰ 'স্কপ' বঢ়াব লাগিছিল সেইটোতো কৰা হোৱা নাই। আজি আমাৰ দেশত পুলিচৰ নিয়োগ যিমান হৈছে অন্যান্য দেশত সিমান হোৱা নাই। পুলিচৰ চাহিদা ইমানৰ পিচতো পূৰণ হোৱাই নাই। আমি মুখেৰে আমাৰ ৰাইজৰ গণতান্ত্ৰিক অধিকাৰৰ কথা কৈছো যদিও ৰাইজক সেই অধিকাৰৰ পৰা বঞ্চিতহে কৰিছো। যোৱা ১৫ আগষ্ট তাৰিখে আই, এছ, এ বুলি এটা ছাত্ৰ সংগঠনে গণতন্ত্ৰৰ অপমৃত্যু বুলি শোভাযাত্ৰাৰে এটা প্ৰতিমূৰ্ত্তি বাহিৰ কৰিছিল। সঁচাকৈয়ে ক'বলৈ গলে ১৯৪৭ চনত গণতন্ত্ৰৰ যি ভাৱমূৰ্ত্তি আছিল সেই ভাৱমূৰ্ত্তি আজি ম্লান হৈ পৰিছে। সেই ছাত্ৰ সংগঠনটোৱে বাহিৰ কৰা শোভা-যাত্ৰাৰ শ্ৰীদেৱজিৎ চৌধুৰী নামৰ এজন ছাত্ৰ, এজনী ছোৱালী আৰু এজন গোস্বামী উপাধিৰ ছাত্ৰক পহু খেদাদি খেদি খেদি মাৰিছে। দেৱজিৎ চৌধুৰী নামৰ ছাত্ৰজন মৰি গ'ল বুলি তেওঁৰ ওপৰত বাকী ল'ৰা-ছোৱালী বিলাক জপিয়াই পৰিছিল। মই যেতিয়া যাওঁ তেতিয়া এজন পুলিচ বিষয়াও গৈছিল। তেওঁলোকক ভয়ভীত দেখুৱাই ডিচপাৰ্জ কৰিবৰ কাৰণেহে মই পৰামৰ্শ দিছিলো। এনেবিলাক কাৰণেই ৰাইজে আজি গণতন্ত্ৰৰ ওপৰত আস্থা হেৰুৱাইছে। আমাৰ সমাজৰ একশ্ৰেণীৰ লোকে পুলিচৰ অবিহনে নিৰাপত্তা অনুভৱ নকৰে। তেওঁলোকৰ এই ধাৰণাই প্ৰকট হৈ

পৰিছে যেন যুগ যুগ ধৰি তেওঁবিলাক যেন পুলিচৰ সংখ্যা বৃদ্ধি কৰিয়েই নিজৰ ৰক্ষণাবেক্ষণ অটুত ৰাখিব।

কিন্তু মই সেই ঠাইৰ স্থানীয় বিধায়ক হিচাবে কেতিয়াবা ৰাজহুৱা মিটিং এখন পাতিব খুজিলে ডি, চি, য়ে পাবমিচন নিদিয়ে। কেতিয়াবা এডিচনেল এচ, পি,ৰ কমেণ্ট লাগে, কেতিয়াবা কয় এনকুৱেৰী ৰিপোৰ্ট লাগে ইত্যাদি। এই বিলাক কাৰণত আমি আজিলৈকে ভালকৈ ৰাজহুৱা মিটিং এখন পাতিব পৰা নাই। এনেদৰে ক্ষমতাত অধিষ্ঠিত দলে আমাক মিটিং পতাত বাধা দিয়ে। ইপিনে ছাত্ৰ সন্থাইটো বাধা দিয়েই। বহুত ক্ষেত্ৰত আমি ছাত্ৰ সন্থাৰ লগতো মোকাবিলা কৰিছো। গতিকে পুলিচ বিভাগত ইমান টকা খৰচ নকৰি নিবন্নুৱা সকলৰ কাৰণে খৰচ কৰিলে নাইবা দেশৰ ঔদ্যোগিকৰণৰ কাৰণে খৰচ কৰিলে দেশৰ বেছি উপকাৰ হ'লহেঁতেন। তাৰোপৰি ক্ষমতাত অধিষ্ঠিত লোকসকলক ৰক্ষনা-বেক্ষণ দিয়াটোৱেই পুলিচ বিভাগৰ মূখ্য দায়িত্ব বুলি ভাবিব পাৰে। কাৰণ তেওঁলোককহে পুলিচৰ বেছি দৰকাৰ হয়। সেই কব খোজো যে পুলিচ শিতানত ইমান টকা খৰচ কৰিব নালাগে। সেই কাৰণেই মই এই কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰিছে। এইখিনিতে মই এটা ঘটনাৰ কথা উল্লেখ কৰো। ঘটনাটো বৰ তাৎপৰ্য্যপূৰ্ণ। নলবাৰী সমষ্টিৰ বাহঁজানী মৌজাৰ চান্দকুচি গাওঁত শ্ৰীচুবেৰী নামৰ মানুহ এজন মাত্ৰ দুটা মদৰ বটল দি ব্যক্তিগত শত্ৰু এজনক মাৰিব লাগে বুলি লগাইছিল। পিচ দুৱাৰেদি গৈ তেওঁক মাৰিবলৈ কৈছিল। উক্ত ঘৰৰ দুমাহ আগতে বিয়া হোৱা বোৱাৰী আৰু ঘৰৰ বুঢ়ীজনীক উক্ত মানুহ জনে মৰিয়াই টানি বাহিৰলৈ আনোতে তাত থকা মানুহে গম পায় আৰু চিঞৰ বাখৰ লগায়। তাৰ পিচত ৰোৱাৰী, বুঢ়ী আৰু তিৰোতা-জনীৰ গিৰিয়েকক বান্ধি নি পুলিচে ৰাজহুৱা ঠাইত তেওঁলোকক অত্যাচাৰ কৰে—সম্পূৰ্ণ উলঙ্গ কৰি। মানুহজন মাৰত ঠিয় হব নোৱাৰা হৈছিল। তাৰ পিচত উলঙ্গ অৱস্থাতে সেই মানুহ জনক পুলিচে নলবাৰী টাউনত চাইকেল চলাবলৈ দিছে। সেই সময়ত আমাৰ মাননীয় স্বাস্থ্যমন্ত্ৰী মহোদয় নলবাৰী আই, বি, তেই আছিল, এই বিষয়ে মই তেওঁকো জনাইছিলো।

আৰু লগতে উক্ত ঠাইত মৰ্য্যদা থকা এজন চেয়াৰমেনেও এই কথাটো স্বীকাৰ কৰিছে। এইবিলাক প্ৰমাণ কৰি দিয়াৰ পিচত তেওঁলোকে কয় যে ট্ৰেন্সফাৰ কৰিলেও বেয়া পায় কাৰণ ছাত্ৰ সন্থাইও আমাক বেয়া পায় আৰু পুলিচেও বেয়া পালে অসুবিধা হব ইত্যাদি।

উপাধ্যক্ষ মহোদয়, মোৰ ঘৰৰ ওচৰতে আন এটা ঘটনা ঘটিছিল। মোৰ ঘৰৰ কাষ'ৰে মহাজনৰ ল'ৰা এজনে চাকৰণী ছোৱালী এজনীক ৰেপ কৰি গৰ্ভৱতী কৰিসে। তাৰ পিচত ফিমেল এটেনডেণ্ট এজনীয়ে তাইক গৰ্ভপাত কৰিলে। ল'ৰাটো পলাল কিন্তু পুলিছে তেওঁক ধৰি আনি শাস্তি দিয়াৰ ব্যৱস্থা নকৰিলে। এনে ধৰণৰ ঘটনা হৈয়ে থাকে। কিন্তু এইবিলাকত পুলিচে প্ৰায়ে নিৰৱ হৈ থকা দেখা যায়। মুঠতে পুলিচে বৰ্তমানে কোন পক্ষ্য লৈছে এই বিলাক ঘটনাৰ পৰাই আমি দেখিবলৈ পাইছো! উপাধ্যক্ষ মহোদয়, মই সময় কিছু বেছি লৈছো। এইবিলাক কথা একেবাৰে নকলেও নহয়। সেই কাৰণেই কৈছো। আৰু এইখিনি কৈয়ে মই কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰিলো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—মাননীয় উপাধ্যক্ষ মহোদয়, পুলিচৰ শিতানত কৰ্ত্তন প্ৰস্তাৱ ডাঙি ধৰি ভাল্লেকেইজন মাননীয় সদস্যই ভালেখিনি কথা উত্থাপন কৰিছে।

মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই পুলিছে গাড়ী ৰিকুইজিচন কৰি নিবনুৱা যুৱকসকলক টকা নিদিয়াৰ কথা উল্লেখ কৰিছে। এইটো সঁচা যে গাড়ী ৰিকুইজিচন কৰি নিদিয়াৰ সম্পৰ্কত যোৱা বাজেট অধিবেশনটো এই সম্পৰ্কত যথেষ্ট সমালোচনা কৰা হৈছিল। মই তেতিয়া কৈছিলো যে ১৯৭৯ চনৰ পৰা ১৯৮৩ চনলৈকে পুলিচ বিভাগৰ জৰিয়তে চৰকাৰে যি বিলাক বাছ বা গাড়ী অধিগ্ৰহণ কৰিছে সেই গোটেই বিলাকৰ টকা-পইচা দিব পৰা নাই। যি সকল নিবনুৱা যুৱকে বেংকৰ পৰা ঋণ লৈ গাড়ী কিনি জীৱিকা নিৰ্বাহ কৰিছে সেই সকলৰ গাড়ী চৰকাৰে অধিগ্ৰহণ কৰি টকা নিদিয়াকৈ থাকিব সেইটো কেতিয়াও হব নোৱাৰে। সেই কাৰণেই আমি পুলিচৰ শিতানত যোৱা বাজেট অধিবেশনত ২'৮৫

কোটি টকাৰ মঞ্জুৰী পাইছিলো। এই ২.৮৫ কেটি টকা আমি ১৯৭৭ চনৰ পৰা ১৯৮৩ চনলৈকে অধিগ্ৰহণ কৰা গাড়ীৰ বাবদ দিবলগীয়া হৈছে। তাৰ পিচত দেখা গ'ল যে আৰু ডেৰ কোটি দিবলগীয়া হৈছে। এই ডেৰ কোটি টকা এই বছৰৰ বাজেটত আছে। এই খিনি দিয়াৰ পিচতো আৰু ৫৮ লাখ টকা দিবলগীয়া হৈছে আৰু ৫৫ লাখ টকা দিবলৈ আছে। এতিয়া দেখা গৈছে যে ৪ কোটিৰো অধিক টকা গাড়ী অধিগ্ৰহণ কৰাৰ কাৰণেই দিবলগীয়া হৈছে। আমি এই টকাখিনি প্ৰৰ্য্যায় ক্ৰমে দিবলৈ চেষ্টা কৰি আহিছো। কোনো কোনো ক্ষেত্ৰত এইটো কথা দেখা গৈছে যে আমাৰ ইয়াৰ পৰা টকা দিয়া হল যদিও জিলা প্ৰৰ্য্যায়ত সম্পূৰ্ণভাৱে বিতৰণ নহব পাৰে। কিন্তু ইয়াৰ পৰা টকাখিনি বিতৰণ কৰিবলৈ পঠোৱা হৈছে।

মাননীয় সদস্য গৰাকীয়ে পুলিচৰ লকআপত মানুহৰ মৃত্যু হোৱাৰ কথা উল্লেখ কৰিছে। আমি পোৱা হিচাব মতে পুলিচৰ লকআপত এতিয়ালৈকে ৫ জন লোকৰ মৃত্যু হৈছে আৰু ৩ জনে আত্মহত্যা কৰিছে। এই গোটেই কথা বিলাক আমি চাই আছো। এই সম্পৰ্কত সম্পূৰ্ণ ৰিপৰ্ট কি কাৰণত মৰিছে আহিলেহে কব পৰা হব।

মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই কালি যুৱক কংগ্ৰেছ (এচ)ৰ কৰ্মীক পুলিচে মাৰপিট কৰা বুলি উল্লেখ কৰিছে। যুৱক কংগ্ৰেছ (এচ) ৰ কৰ্মী সকলে কালি এখন সভা পাতি অনুমতি নোলোৱাকৈ জিলা দণ্ডাধীশৰ ওচৰত ১৪৪ ধাৰা আইন ভংগ কৰি স্মাৰক পত্ৰ দিবলৈ যোৱাৰ কাৰণে তাত পুলিচে বাধা দিয়াত পুলিচৰ লগত থেলা হেচা হয়। তেওঁলোকে স্মাৰক পত্ৰ দিবৰ বাবে অনুমতি জিলা দণ্ডাধীশৰ পৰা বিচৰা নাছিল আৰু অনুমতি পোৱাও নাছিল। ১৪৪ ধাৰা আইন ভংগ কৰিবলৈ চেষ্টা কৰাৰ কাৰণেই কালি এইটো ঘটনা ঘটিবলৈ পালে।

শ্ৰীদাস ডাঙৰীয়াই বহুতো কথা উল্লেখ কৰিছে। তাৰ ভিতৰত বিশেষকৈ পুলিচৰ প্ৰমোচনৰ কথা উল্লেখ কৰিছে। মই যোৱা বাজেট অধিবেশনতেই কৈছিলো যে পুলিচৰ লোক সকলক প্ৰমোচন দিয়াৰ কাৰণে চেষ্টা কৰি আহিছো। এচ আই আৰু এ এচ আই যি হিচাবে

প্ৰমোচন দিব লাগে সেই হিচাবে দিয়া হৈছে যদিও যিমান দিব লাগে সিমান দিব পৰা নাই। এচ আই শতকৰা ৫০ ভাগ আৰু এ এচ আই শতকৰা ৫০ ভাগ দিব লাগে। সেই হিচাবে দিয়া হৈছে। উদাহৰণ স্বৰূপে মই কব বিচাৰিছো যে পুলিচ এ এচ আই ১৮৩৯ টা পদ আছে। তাৰ ভিতৰত ৯৭০ জনৰ প্ৰমোচন হৈছে। এতিয়া আৰু প্ৰমোচন দিব পৰা অৱস্থাত নাই। সেইদৰে এচ আইৰ ক্ষেত্ৰতো যিমান দিবলগীয়া আছিল সিমানখিনি দিয়া হৈ গ'ল আৰু এতিয়াই দিব পৰাৰ থল নাই।

টাস্ক ফৰ্চৰ কথাও ভালেকেইজন মাননীয় সদস্যই উল্লেখ কৰিছে। টাস্ক ফৰ্চৰ সম্পৰ্কত চৰকাৰৰ যিটো নীতিৰ কথা উল্লেখ কৰিছিলো সেইটো নীতিকে বাহাল ৰখা হৈছে। ইয়াত মুঠতে ১৫০৭ জনক নিযুক্তি দিয়া হৈছে। ইয়াত এচ টি, এচ চি, এচ টি হিলচ বা মাইনৰিটি এই সকলো বিলাক জনসংখ্যা প্ৰতিফলিত হোৱাকৈ দিয়া হৈছে। ইয়াত মাইনৰিটি শতকৰা ২৭ ভাগ দিয়া হৈছে। সেয়ে এইটো দেখা গৈছে যে চৰকাৰে পুলিচৰ সম্পৰ্কত যিটো ঘোষণা কৰিছিল সেইটো ৰক্ষা কৰিছে। সেইদৰে ওৱাৰলেচ অপাৰেটৰৰ ক্ষেত্ৰটো মাইনৰিটি শতকৰা ৩০ ভাগ নিযুক্তি দিয়া হৈছে। ইয়াৰো এচ টি বা এচ চিয়ে যিমানখিনি পাব লাগে সিমানখিনি নিযুক্তি দিয়া হৈছে।

মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই ভালেমান কেইটা কথা উল্লেখ কৰিছে। তেখেতে এটা কথা কৈছিল যে জিলা পৰ্য্যায়ৰ এচ ডি পি অৰ ঘৰ বিলাক এচ পিক দিয়া হৈছে। কথাটো কিন্তু থিক তেনেকুৱা নহয়। গোৱালপাৰা, কোকৰাঝাৰ, মংগলদৈ, বৰপেটা, শিৱসাগৰ, কৰিমগঞ্জ এই ৬ খন জিলা কৰাৰ কাৰণে তাত এচ পি দিবলগীয়া হোৱাৰ কাৰণে এচ ডি পি অৰ ঘৰ বিলাকতে এচ পিক থাকিবলৈ দিয়া হৈছে। অৱশ্যে ঘৰ বিলাক সৰু হলেও তেখেত সকল থাকিব পাৰিছে। আচলতে এচ ডি পি অক ঘৰ দিয়া নহয়।

থানা বিলাকত গাড়ী দিয়াৰ যিটো কথা উল্লেখ কৰিছে সেই সম্পৰ্কত মই কওঁ যে ১৪০ খন থানাত গাড়ী দিব পাৰিছো। মাত্ৰ ৪৪ খন

থানা বাকী আছে। এতিয়া আমি আৰু ৩০ খন গাড়ী কিনিছো। মুঠতে আমি গোটেই বিলাক থানাতে একোখনকৈ গাড়ী দিব পাৰিছো।

মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই পুলিচক বনাচ দিয়াৰ কথা উল্লেখ কৰিছে। আমি বনাচ দিয়াৰ কাৰণে ভবা নাই। কিন্তু কৰ্মচাৰী সকলৰ লগত আলোচনা কৰিছো। তেখেতক মই জনাব বিচাৰিছো যে বিশেষকৈ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলক পূজাৰ আগে আগে মৰগীয়া বানচ দিবলৈ থিক কৰিছো। এইখিনি পালেও তেখেত সকলৰ সহায় হব। বনাচ দিয়াৰ কথা মই বিৰোধিতা নকৰো। কিন্তু আমাৰ ৰাজ্যৰ অৰ্থনৈতিক অৱস্থাটো চাব লাগিব। আৰু অন্যান্য যি বিলাক কথা আছে সেই বিলাকো চিন্তা কৰি চাব লাগিব। সদ্যহতে পূজাৰ আগে আগে মৰগীয়া বানচ দিবলৈ থিক কৰিছো।

কোনো পুলিচ বিষয়া ধৰ্ম অনুষ্ঠানত জড়িত থাকে, সেয়া হলেও প্ৰশাসনৰ ক্ষেত্ৰত হস্তক্ষেপ নহয় তাৰ প্ৰতি নিশ্চয় চকু ৰাখিব। ডকাইতি সম্পৰ্কত উল্লেখ কৰিছে আৰু এই সম্পৰ্কত কব বিচাৰিছো যে ভালেমান ডকাইতি হৈছে তাক অস্বীকাৰ কৰিব নোৱাৰো। আজি কিছুদিন আগতে মেডিকেল কলেজত ডকাইতি হৈছে। এনে ধৰণে নিৰ্দিষ্ট ঠাইত গৈ ডকাইতি কৰিছে। গুৱাহাটী নগৰত বহু কেইটা ডকাইতি হৈছে আৰু কৰাৰ চেষ্টা চলাইছিল, সেইবিলাক ধৰা পৰিছে। মিজোৰামৰ কেতবোৰ উগ্ৰপন্থী আছে আৰু তাক ধৰাৰ চেষ্টা কৰা হৈছে। মিজোৰাম চৰকাৰেও চেষ্টা কৰিছে। দুই এটা ঘটনা ঘটে তাৰ ব্যৱস্থা লয়। গাওঁৰক্ষী বাহিনীটোক শক্তিশালী কৰাৰ চৰকাৰ পক্ষপাতি। ৰাজ্যখনৰ শান্তি ৰক্ষা কৰাৰ কাৰণে যিমান আৰক্ষীৰ প্ৰয়োজন, সিমানখিনি আমাৰ নাই। গতিকে গাওঁৰক্ষী বাহিনীটোক শক্তিশালী কৰিব লাগিব। তেতিয়াহলে আৰক্ষীসকলৰ বহুখিনি কাম কমিব। পুলিচ ডিষ্ট্ৰিক্ট কৰোতে বঙিয়াক নলবাৰীৰ লগত ৰাখিব খোজা নাই। চিভিল ডিষ্ট্ৰিক্ট কৰিলেও ৰঙিয়াৰ বাইজে নলবাৰীৰ লগত নাথাকে বুলি কৈছে। হোম গাৰ্ডৰ নিযুক্তিৰ ক্ষেত্ৰত কৈছে। এই ক্ষেত্ৰত কব বিচাৰিছো যে সংখ্যালঘু, অনুসূচীত জাতি, জনজাতিৰ প্ৰতি যাতে অবিচাৰ নহয় সেইটো চোৱা হব। হোম গাৰ্ডৰ

দুটা বেটেলিয়ান খুলিব লৈছো। হোম গার্ডৰ বহু ল'ৰাই এতিয়া অস্থায়ী ভাবে কাম কৰি আছে, সেইবিলাকক এতিয়া সহায় কৰিব পাৰিম। শ্ৰীপূৰ্ণ বড়ো আৰু শ্ৰীকলিতা ডাঙৰীয়াই পুলিচৰ একচেচৰ বিষয়ে কৈছে। পুলিচ একচেচ ঠাই বিশেষে হব পাৰে তাক অস্বীকাৰ নকৰো আৰু আমি পুলিচ একচেচ সমৰ্থন নকৰো। উলঙ্গ কৰা আৰু ৰেপ কৰা যি ঘটনাৰ কথা কৈছে তাৰ তদন্ত হব আৰু যি বিষয়াই নহওক নিশ্চয় ব্যৱস্থা হাতত লম। পুলিচক শান্তি ৰক্ষা কৰাৰ কাৰণে সৃষ্টি কৰা হৈছে। স্বাধীনতাৰ আগৰ পুলিচ আৰু এতিয়াৰ পুলিচৰ দায়িত্ব বেলেগ। ৰাইজে সংঘটিত কৰা কিছু ঘটনাৰ কাৰণে পুলিচে কোনো কোনো ঠাইত কিছু কাম কৰিব লগা হয়। শ্ৰীবড়ো ডাঙৰীয়াই কেবাজনো মানুহক হত্যা কৰিছে বুলি কৈছে। নিৰ্দিষ্ট মানুহক বিচাৰি নাপাই সন্দেহ বশতঃ দুই চাৰিজনক ধৰি আনে কিজানিবা কথাটো ওলায়েই। কেতিয়াবা কিছুমান লোকে এনে মানুহৰ নাম দিয়ে তেওঁলোকো সন্দেহত ধৰা হয়। মই যোৱাবাৰ কৈছিলো ৰাজ্যখনত যিমান বিলাক ঘটনা সংঘটিত হৈছে এতিয়া তেওঁলোকে অৱস্থা উন্নত হোৱাৰ কাৰণে হত্যাকাণ্ড, ঘৰ জ্বলোৱা আদি ঘটনা সম্পৰ্কত থানাবিলাকত গোচৰ তৰিছে। ১৯৮৩ চনৰ জানুৱাৰী মাহৰ পৰা ৩১ ডিচেম্বৰলৈ বিভিন্ন থানাত ১৩ হাজাৰ ৮৮ টা গোচৰ পঞ্জীভূক্ত হৈছে। এই গোচৰবিলাকত জড়িত লোকৰ সংখ্যা ২৭ হাজাৰ ৬৮৬ জন। হত্যাকাণ্ড, সম্পত্তি নষ্ট কৰা, ঘৰ জ্বলোৱা আদি ঘটনাত দোষী সাব্যস্ত লোকৰ সংখ্যা ২৭ হাজাৰ ৬৮৬ জন। ৮৩ হাজাৰ ৮৮ টা ঘটনা ঘটিছে। এই দোষী বিলাকক ধৰিব যোৱা অভিযানক একচেচ বুলি কব খোজে। একচেচ সঁচাকৈ দোষনীয়, ব্যৱস্থা লম। যিসকল দোষীয়ে ৰাজ্যখনত নানা ধৰণৰ ঘটনা সংঘটিত কৰিছে সেইসকলক ধৰিবলৈ যাওঁতে কোনো ঠাইত অতিশয্য হব পাৰে। দোষী সকলক ধৰিব লাগিব। দোষী সকলক ধৰিবলৈ যোৱাবোৰক যদি অতিশয্য বুলি কোৱা হয়, তেন্তে উপায় নাই। মই ভাবো মাননীয় সদস্য সকলৰ প্ৰায়বোৰ কথাৰেই উত্তৰ দিছো। লক-আপত মৃত্যু হোৱা

সম্পৰ্কত শ্ৰীকলিতাই পুলিচ একচেচ বুলি কৈছে আৰু চৰকাৰে তাৰ তদন্ত কৰিব আৰু দোষী সাব্যস্ত হোৱা পুলিচ বিষয়াক শাস্তি দিব। পুলিচ বিভাগ সম্পৰ্কত সকলোৱে সমালোচনা কৰিছে। আজি দেখা গৈছে স্থানীয় কৰ্মচাৰী সকলে শান্তি ঘূৰাই অনাৰ কাৰণে যিখিনি সাহসেৰে কাম কৰিছে তাক প্ৰশংসা কৰিব লাগিব। পুলিচ বিভাগে দেশৰ শান্তি শৃংখলা নিয়ন্ত্ৰণ কৰে। এই ক্ষেত্ৰত বহু সময়ত দৃঢ় আৰু কঠোৰ হব লগা হয়। এইখিনিকে কৈ মাননীয় সদস্য সকলক কৰ্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিলো।

শ্ৰীহেমেন দাস—টাস্ক ফৰ্চ নিযুক্তিৰ কোটাৰ কথা কৈছো। শেষত ৪৯ টা ক'ৰ পৰা আহিল ? জনসংখ্যাৰ প্ৰতিফলন হৈছে নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—চাব লাগিব।

Shri Benoy Kumar Basumatari—Sir, I wish to get some clarification. Chief Minister has assured that the incident of death occurred in the police lock up will be investigated. May we know from him what procedure will be adopted in the matter of investigation, because if the Police Deptt. itself is asked to investigate into its own affair, do you think such investigation will be able to get public confidence? That's why we wish to have your opinion in this regard, Sir.

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—মেজিষ্ট্ৰেড পৰ্য্যায়ৰ তদন্ত দিব লগা হলে দিম।

Shri Benoy Kumar Basumatari—I am satisfied. I wish to withdraw my cut motion.

শ্ৰীচন্দ্ৰধৰ কলিতা—অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে, তদন্ত কৰা হব। মই এটা স্পষ্টীকৰণ বিচাৰিছো যে, কেৱল এটা ঘটনাৰ কথাই নহয় সামগ্ৰিক ভাবে কথাটো কব লাগে। নলবাৰীৰ পুলিচ বিষয়াৰ

ড্ৰাইভাৰ জনে ৰাতি মদ খাই থাকোতে গুলি কৰাৰ কথাটো কেনে ধৰণৰ কথা এইটো তদন্ত কৰিব লাগে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই প্ৰশ্নৰ উত্তৰ মই দিছো। এইটো তদন্ত কৰা হব। বাকী কেচ কেইটা চাম।

Mr. Speaker—Let me go one after another. As Mr. Basumatati has agreed to withdraw the cut motion is it the pleasure of the House to grant to withdraw the cut motion?

Leave is granted and cut motion No. 1 is withdrawn. Now Shri Das.

Shri Hemen Das—I withdraw the cut motion.

Mr. Speaker—Is it the pleasure of the House to grant leave to withdraw the cut motion?

Leave is granted and cut motion No. 2 is withdrawn. Now Shri Deka.

শ্ৰীমথুৰা ডেকা—মই উঠাই লৈছো। মোৰ কাট মোচন নাছিল, এটা ক্লাৰিফিকেচনহে আছিল।

Mr. Speaker—Is it the pleasure of the House to grant leave to withdraw the cut motion?

Leave is granted and the cut motion is withdrawn.

Shri Chandradhar Kalita—I withdraw.

Mr. Speaker—Is it the pleasure of the House to grant leave to withdraw the cut motion?

Leave is granted and cut motion is withdrawn. Now I put the supplementary Demands for Grant

No. 18 that an additional amount of Rs. 6,08,27,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1985 in respect of "Police".

The Supplementary Demand for Grant No. 18 is passed.

Now, Grant No. 19.

Shri Hiteswar Saikia (Chief Minister)—Sir, I beg on the recommendation of the Governor of Assam, I beg, Sir, to move that an additional amount of Rs. 20,72,100 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1985 in respect of "Jails".

Mr. Speaker—There is no cut motion. Now I put the supplementary demand for Grant No. 19 that an additional amount of Rs. 20,72,100 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1985 in respect of "Jails".

Supplementary Demand for Grant No. 19 is passed.

Now Grant No, 21.

Shri Syeda Anwara Taimur (Minister)—Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that an additional amount of Rs, 75,10,000 be granted to the Minister-in-charge to defray certain

charges which will come in the course of payment during the year ending the 31st March, 1985 in respect of "Administrative and functional Buildings".

Shri Hemen Das—Sir, I want to speak a few words on this grant.

অধ্যক্ষ মহোদয়, ইয়াত কোৱা হৈছে যে যোৱা বিত্তীয় বছৰটোৰ শেষৰ ফালে কাৰ্য্যকৰী আৰম্ভ কৰা নতুন সংমণ্ডলৰ বাবদ হোৱা ব্যয় বহন কৰিবলৈ অতিৰিক্ত ৪২,০০,০০০ টকাৰ আৱশ্যক হয়। বাজেটত এই সন্দৰ্ভত পুঁজিৰ ব্যৱস্থা কৰিব পৰা নহল।

Smti. Syeda Anwara Taimur (Minister)—This is newly created Division, so it could not be done in the Budget.

Shri Hemen Das—Here you have mentioned.

অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, যি বাজেট আমাৰ তৈয়াৰ কৰা হ'ল তাত এই টকা কিয় ধৰিব পৰা নহল? এই বিষয়ে মই বিভাগৰ পৰা জানিব বিচাৰিছো।

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এইখিনি কৰাৰ আগতেই বাজেট তৈয়াৰ কৰা হ'ল। গতিকে এইটো কৰিব পৰা নহল।

Mr. Speaker—Now I put the Supplementary Demand for Grant No. 21 that an additional amount of Rs. 75,10,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1985 in respect of "Administrative and functional Buildings".

Supplementary Demands for Grant No. 21 is passed.

Now Grant No. 22.

Shri Hiteswar Saikia (Chief Minister)—Sir, on the recomm-

endation of the Governor of Assam, I beg, Sir, to move that an additional amount of Rs. 29,41.000 be granted by the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending 31st March, 1985 in respect of "Fire Services".

Mr. Speaker—There is a cut motion tabled by Shri Kaizasong. He is absent. Now I put the Supplementary Demand for Grant No. 22. that an additional amount of Rs. 29,41,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending 31st March, 1985, in respect of "Fire Services".

Supplementary Demand for Grant No. 22 is passed. Now Grant No. 23.

Shri Hiteswar Saikia (Chief Minister)—On the recommendation of the Governor of Assam. I beg Sir, to move that an additional amount of Rs. 6,01,800 be granted to the Minister in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1985 in respect of Vigilance Special Commissions.

Shri Hemen Das—I am not moving my cut motion, Sir.

Mr. Speaker—I put the Supplementary Demand for grant No. 23 that an additional amount of Rs. 6,01,800 be granted to the Minister-in-charge to defray certain

charges which will in the course of payment during the year ending the 31st March, 1985 in respect of of Vigilance and Special Commission.

The motion is adopted.

Shri Hiteswar Saikia ( Chief Minister )—On the recommendation of the Governor of Assam, I beg Sir, to move that an additional amount of Rs. 1,32,97,900 be granted to defray certain charges which will come in the course of payment during the year ending the 31st March, 1985 in respect of "Civil Defence and Home Guards".

Mr. Speaker—There is a cut motion tabled by Shri Mathura Deka.

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, সময় বৰ কম, সেই বাবে মই কাট মোচনটো মোভ নকৰো ।

Mr. Speaker—I put the supplementary demand for grant No. 24 that an additional amount of Rs. 1,32,97,900 be granted to the Min ster-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1985 in respect of 'Civil Defence and Home Guards".

The motion is adopoted.

Shri Hiteswar Saikia ( Chief Minister )—On the recommendation of the Governor of Assam, I beg Sir, to move that an additional amount of Rs. 2,25,000 be grented to the Minister-in-charge to defray certain charges which will come in the course of payment during the

year ending the 31st March, 1985 in respect of "Vital statistics" etc.

Mr. Speaker—There is no cut motion to this grant. I put the supplementary demand for grant No. 27 that an additional amount of Rs. 2,25,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1985 in respect of "Vital Statistics" etc.

The motion is adopted.

Shri Mukut Sharma ( Minister )—On the recommendation of the Governor of Assam, I beg Sir, to move that an additional amount of Rs. 20,00,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1985 in respect of "Education".

Mr. Speaker—There are 4 cut motions tabled by Shri Benoy Basumatary, Shri Mathura Deka, Shri Kaisasong and Shri Chandradhar Kalita.

Shri Benoy Kumar Basumatary—Sir, I beg to move that the provision of Rs. 20,00,000, under Supplementary Demands for Grant No. 31, in respect of "Education" at page 22 of the list of Supplementary Demands, be reduced by Rs. 100·00, i. e., the amount of the whole Supplementary Demand of Rs. 20,00,000, do stand reduced by Rs. 100·00.

শ্ৰীমথুৰা ডেকা—উপাধ্যক্ষ মহোদয়, ৩১ নং অতিৰিক্ত মঞ্জুৰী দাবীত মুঠ টকা ২০ লাখ শিক্ষাৰ শিতানত ২২ পৃষ্ঠা অতিৰিক্ত মঞ্জুৰীৰ পৰা এশ

টকা মুঠ দাবীৰ পৰা কৰ্ত্তন কৰি মুঠ ২০ লাখ টকাৰ পৰা এশ টকালৈ কৰ্ত্তন কৰিব বিচাৰিছোঁ।

(Shri Kaisasong and Shri Chandradhar Kalita are absent)

Shri Benoy Kumar Basumatary—Sir, this is a very smart demand, very smart Sir. From the Explanatory Note we cannot say anything Sir. The Deptt. has very intelligently awarded this only as an allocation for Hill Plan. Now Sir, in the last budget for the Hill Plan over 6,04,44,000 rupees were provided. If we go through the original budget of this year then we will see whatever provision they have now asked for is similar to what they have asked for earlier. So, I express my doubt whether the budget allocation for plains areas is so correct while budget for Hill areas were incorrect. I have nothing against the Hill Plan. Simply I want to draw the attention of the Govt. that in some schools the salaries of the teachers are not paid and therefore the teachers have gone on strike. Now Sir, in regard to appointment in the Education Deptt. we find that various officers are sought to be appointed by the Education Depptt. and there we find that for appointment in the Elementary Education tribal candidates are not taken at all. There are Block Level Officers but surprisingly till today not a single fresh candidate either from the Deptt. or from elsewhere by open competition has

been appointed. Therefore Sir, I express my serious reservation on the performance of the Education Deptt. and so I moved this Cut Motion. Thank you Sir,

*শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, শিক্ষা বিভাগ সম্বন্ধে মই কব নুখুজিছিলো। কিন্তু কেইটামান কথাৰ কাৰণেহে কব লগা হৈছে।

প্ৰথমতে মই আৰম্ভ কৰিছো এটা থিক সময় নহব বুলিয়েই এই কথাটো মই পুলিচৰ শিতানত কৈ থৈছিলো। শিক্ষাৰ পৰ্য্যায়ত বিশেষকৈ কমলপুৰ, ৰঙিয়া, হাজো আদিত ঘৰ দুৱাৰ সম্পূৰ্ণ হৈ নুঠালৈকে এই বিষয়টো কিছুদিনলৈ ৰাখি থৈ যাবলৈ মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। আমাৰ বৰ বিপৰ্য্যয়, ঘৰ দুৱাৰ নোহোৱাৰ অজুহাতত যাতে এইটো নোহোৱা নহয়গৈ। ৰাইজৰ ফালৰ পৰা মই কথাটো কৈছো। তিনিজন বিধায়ক শিক্ষা মন্ত্ৰীৰ ওচৰলৈ গৈছে। তেখেতে যেন কথাটো ৰক্ষা কৰে। তাৰ পিছত আমাৰ শিক্ষা সম্বন্ধীয় এটা সমস্যা মন্ত্ৰী মহোদয়ৰ ওচৰত দাঙি ধৰোঁ। আমাৰ দেশত শিক্ষা বহু ধৰণৰ হৈছে। যেনে এডাল্ট এডুকেচন নন ফৰমেল এডুকেচন, এলিমেণ্টেৰী আদি বহু ধৰণৰ এডুকেচন। মই জানো মটৰ গাড়ী কিনাৰ পৰা আৰম্ভ কৰি বহু কথা আছে। আমাৰ তৰফৰ পৰা এইটোৱেই পৰামৰ্শ যে আজি কালি ঘৰে ঘৰে গোসাঁইঘৰত প্ৰাইমেৰী স্কুল পতাৰ নিয়ম হৈছে। আমাৰ শিক্ষানীতি এটা হোৱা উচিত যে যিটো ননফৰমেল স্কুল আছে আৰু যি সকলে শিক্ষকতা কৰি আছে তেওঁলোকক প্ৰমোচন দি ভৱিষ্যতে প্ৰাইমাৰী স্কুল সমূহতে সুবিধা দিয়া ব্যৱস্থা কৰিব লাগিব। নহলে পি, ইউ পাছ কৰি শিক্ষক হোৱাৰ কাৰণে আমাৰ বিধায়ক সকলে যিটো কথা চিন্তা কৰিছে সেইমতে এই সকলে চাকৰী নাপাব। মই সেই কাৰণে শিক্ষা মন্ত্ৰী মহোদয়ক এইটো অনুৰোধ কৰো যাতে নন ফৰমেল স্কুলত প্ৰথমতে সোমাই পিচত অভিজ্ঞতা হোৱাৰ পিচত প্ৰাইমেৰী স্কুলৰ

* Speech not corrected,

শিক্ষক হোৱাৰ ব্যৱস্থা কৰক। এইটো পৰামৰ্শ মই দাঙি ধৰিছো। এইটো কৰে নকৰে সেইটো শিক্ষা মন্ত্ৰী মহোদয়ৰ কথা। কিন্তু এনে ব্যৱস্থা হোৱা ভাল তেতিয়া হলে কিছুমান চিন্তা নাথাকে। মই আগতে পুলিচৰ শিতানত এটা কথা কৈছো যে গাওঁৰক্ষী বাহিনীত যদি ডেকা ল'ৰাবোৰক ট্ৰেনিং দিয়াৰ ব্যৱস্থা কৰে তেতিয়াহলে নিবনুৱা সংখ্যা কমিব নহলে আমি বিধায়ক সকল ঘৰত খাব শুব নোৱাৰা অৱস্থা হৈছে।

আৰু এটা কথা বৰ জটিল কথা এইটো সেয়া হয় শিক্ষক বদলি কৰাটো। এইটোৰ মই বৰ পক্ষপাতী নহয় কাৰণ ইয়াৰ পৰা আমি জাত শত্ৰু কৰি লোৱা হয়। তথাপি দুই চাৰিজনক ৰাইজৰ কথামতেই কৰিবলৈ বিচাৰিছো। এজন শিক্ষকক যোৱা ৩০ মাৰ্চ তাৰিখে বদলিৰ আদেশ দিয়া হল কিন্তু আজিও শিক্ষকজন তাতে আছে আৰু শুনিছো ষ্টে কৰাৰ কাৰণে চেষ্টা কৰিছে আৰু ষ্টে হৈছেও। সেই শিক্ষকজনৰ ওপৰত কুৰিটামান কেচ আছে আৰু কেচবোৰো ভালধৰণৰ নহয় একেবাৰে বেয়া ধৰণৰ। তেওঁ বোলে জুৱাও খেলে। সেয়ে ৰাইজে কৈছে তেওঁক বদলি কৰিব লাগে। ৰঙিয়া এম, ই স্কুলৰ শিক্ষকজনক ডি পি আইয়ে চাচপেণ্ড কৰিছে আৰু ইন্‌ক্ৰিমেণ্ট এবছৰৰ কাৰণে বন্ধ কৰি থৈছে। সেই খন স্কুলৰ নামত বহুত কিউবিক কাঠ প্ৰায় ৫৭ চি, এম, চিবিক কাঠ স্কুলঘৰ নিৰ্মাণৰ কাৰণে দিছে। সেইখিনি বিক্ৰী কৰিলে কিন্তু স্কুলঘৰত নলগালে। সেই স্কুলখনৰ অৱস্থা নোহোৱা হৈছে। সেইজন শিক্ষকে যোৱা ৫-৯-৮৪ তাৰিখে গাওঁ পঞ্চায়তৰ চেক্ৰেটাৰী জনক মাৰপিট কৰি বগৰাই দিয়ে। তেওঁৰ বিৰুদ্ধে পুলিচ কেচ দিয়া হৈছে গতিকে তেওঁক ষ্টে কৰা উচিত নহয়। তেওঁ মোৰ কোনো সম্পৰ্কীয়ও নহয় বা শত্ৰুও নহয় মাত্ৰ ৰাইজৰ দাবীৰ কথাহে কৈছো যদি সেইজন শিক্ষক থাকে তেনেহলে স্কুলখন জীয়াই নাথাকে আৰু নানান খেলিমেলিৰ সৃষ্টি কৰিব। এন আৰ পি আৰু ফৰেষ্ট বিভাগৰ পৰা স্কুলখনৰ কাৰণে কাঠ আদি দিছে স্কুলখনৰ কাৰণে আৰু ৰঙিয়াৰ এচ, ডি অ চাহাবৰো সেয়ে ইচ্ছা। মোৰো ইণ্টাৰেষ্ট আছে। গতিকে এই শিক্ষক জনক মাত্ৰ দুই নে তিনি মাইল ভিতৰতে বদলি কৰা হৈছে সেয়ে

তেওঁক ষ্টে কৰাৰ প্ৰশ্নই নুঠে। কিছুমান লোকে কিছুমান শিক্ষকক বদলি কৰে আকৌ কিছুদিনৰ পিচত ষ্টে কৰে। এই প্ৰথাটো যেন শিক্ষা মন্ত্ৰী মহোদয়ে চিন্তা কৰে। মই আৰু বেছি কথা নকওঁ যিখিনি কলোঁ এইখিনিও যেন শিক্ষা মন্ত্ৰী মহোদয়ে অভিযোগ অনা বুলি নাভাবে। এইটোৱে মোৰ অনুৰোধ।

*শ্ৰীপূৰ্ণ বড়ো—উপাধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানত অনা কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই কেইটামান কথা কব বিচাৰিছো। প্ৰাথমিক বিদ্যালয়ৰ পৰা স্থানীয় বিদ্যালয় সমূহলৈ সাহায্য বিচৰা হৈছে। পাৰ্বত্য অঞ্চলৰ কাৰণে ১২ লাখ টকা বিচৰাত মোৰ ধাৰণা এই যে ভৈয়াম বা পাৰ্বত্য অঞ্চলৰ স্কুলৰ অৱস্থা হয়তো বেলেগ নহব। কথা হ'ল স্থানীয় নিকায় সমূহ যেনে পৌৰসভা আদি এল, পি স্কুল সমূহক দিয়া নিদিয়াৰ কথা হ'ল যে প্ৰাথমিক স্কুল সমূহৰ অৱস্থা বৰ বেয়া। আমি জানো যে এন আৰ পি আৰু এন আৰ ই পি পৰা কেইখন মান স্কুলত সাহায্য দিয়া হৈছে। শিক্ষা বিভাগৰ পৰা বিল্ডিং গ্ৰাণ্টৰ টকা এল পি স্কুলক দিয়া নহয়। কিন্তু ভেঞ্চাৰ স্কুল সমূহ চৰকাৰে লয়। বা লব লাগে। এল পি স্কুল ইতিমধ্যে যি বিলাক লোৱা হৈছে ১-৩-৮৪ তাৰিখে যি সকল শিক্ষক ভেঞ্চাৰ স্কুলৰ পৰা আনি নিযুক্তি দিয়া হ'ল তেওঁলোকক এফেক্ট দিয়া হৈছে ১-১০-৮৩ৰ পৰা। আনহাতে চৰকাৰে এই স্কুল সমূহ লোৱাৰ পিচত তেওঁলোকক নিযুক্তি দিছে। কিন্তু আজি ৮ মাহৰো বেছি হ'ল তেওঁলোকৰ দৰমহা নাই। ল'ৰা আৰু ছোৱালী স্কুলৰ সাহায্য মজুৰী আদি অতিৰিক্ত বিচৰা হৈছে ৪ লাখ টকা। এই ৫ লাখ টকা মজলীয়া বা মাধ্যমিক স্কুলেই হওক ভৱন সমূহ নিৰ্মান কৰিলে ভাল হ'ব। আমি জানো যে ছাত্ৰ ছাত্ৰী দিনে দিনে বাঢ়ি গৈ আছে আৰু থাকিব। কিন্তু স্কুল পতাৰো এটা সীমা আছে। ছাত্ৰ ছাত্ৰীৰ সংখ্যা যিহেতু বাঢ়ি থাকিব ভৱন সমূহো বঢ়োৱাৰ প্ৰয়োজন। এতেকে এই অনুদান মজলীয়া বা মাধ্যমিক স্কুলেই হওক নিৰ্মানৰ কাৰণে দিলে ভাল হয়, এই কথাটো চৰকাৰে যাতে অলপ চকু দিয়ে। মাধ্যমিক

* Speech not corrected.

বিদ্যালয়ৰ ক্ষেত্ৰত কিছুমান বৈষম্য সৃষ্টি কৰা হৈছে । উচ্চ মাধ্যমিক বিদ্যালয় সমূহত বি, এ পাছ কিছুমান হিন্দী শিক্ষকে কাম কৰি আছে । তেওঁলোকৰ কিছুমান বত্ন উপাধিধাৰী, কিছুমান বিশাৰদ আৰু কিছুমান প্ৰবীন উপাধিধাৰী । এই শিক্ষক সকলৰ দৰমহাৰ ক্ষেত্ৰত কিছুমান বৈষম্য ৰাখি থোৱা হৈছে । কিছুমান শিক্ষকে গ্ৰেজুৱেট স্কেল পাইছে আৰু কিছুমানে পোৱা নাই ।

এই কথাটোৰ প্ৰতি শিক্ষামন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি মই এই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো ।

*শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, এই পৰিপূৰক মঞ্জুৰীটো অনা হৈছে পাৰ্বত্য জিলা দুখনৰ শিক্ষাৰ ক্ষেত্ৰত । উপাধ্যক্ষ মহোদয়, আপুনি জানে যে প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষাৰ কাৰণে পাৰ্বত্য জিলাকেইখনত ল'ৰা-ছোৱালী হয়তো স্কুললৈ তেনেকুৱাকৈ নাহে । খুব কম সংখ্যকহে আহে । যিবিলাক ভিতৰুৱা অঞ্চলত স্কুল বিলাক আছে সেই বিলাকত সামাজিক বা অন্যান্য কাৰণেই হওক ল'ৰা-ছোৱালীক স্কুললৈ নপঠিয়ায় । ফলত ল'ৰা-ছোৱালী বিলাক শিক্ষাৰ পৰা বঞ্চিত হবলগীয়া হয় । গতিকে পাৰ্বত্য অঞ্চলৰ এই দুখন জিলাৰ ল'ৰা ছোৱালী বিলাকে শিক্ষাৰ পোহৰ পায় আৰু স্কুললৈ যায় তাৰ কাৰণে উদগণি হিচাবে আমি ল'ৰাছোৱালী বিলাকক সপ্তাহত এদিন মধ্যম বা দুপৰীয়াৰ আহাৰ দিব বিচাৰিছো আৰু অহা নবেম্বৰ মাহৰ ১৪ তাৰিখে আমাৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত পণ্ডিত জৱাহৰলাল নেহেৰুৰ জন্ম দিনটো শিশু দিৱস হিচাবে গোটেই পৃথিবীয়ে পালন কৰি আহিছে আৰু সেই দিনাই এই আহাৰ দিয়া আৰম্ভ কৰা হব । এই আহাৰ দিয়া হব জিলা পৰিষদৰ জৰিয়তে । উপাধ্যক্ষ মহোদয়, আপুনি জানে পাৰ্বত্য জিলাৰ শিক্ষা প্ৰাথমিক জিলা শিক্ষা পৰিষদৰ দ্বাৰা পৰিচালিত হয় । গোটেইখিনি ধন ১৪ লাখ টকা তেওঁলোকক দিয়া হৈছে । আৰু ৪ কোটি টকা মাধ্যমিক স্কুলৰ কাৰণে মুঠ ১৮ কোটি টকা সপ্তাহত এদিনকৈ দুপৰীয়াৰ আহাৰ দিয়াৰ কাৰণে

* Speech not corrected

